# হাউলীত ৰজনীকান্ত বৰদলৈক স্মৰণ




মুকলি সভাৰ আৰম্ভণিত 'চিৰ চেনেহী মোৰ ভাষা জননী...' পৰিৱেশন কৰিছে স্থানীয় মহিলা শিল্পীসকলে

সভাৰ প্ৰাক্তন সভাপতি তথা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ জন্ম দিনটো ২৪ নৱেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত হাউলী সাহিত্য সভা আৰু মনোমতী উপন্যাসৰ ৰচনাস্থলী স্মৃতিৰক্ষা সমিতিৰ সহযোগত অনুষ্ঠিত হয়। দিনযোৰা কাৰ্যসূচী আৰম্ভ হয় পুৱা ৮-৪৫ বজাত হাউলী সাহিত্য সভাৰ সভাপতি নৃপেন পূজাৰীয়ে কৰা সভাৰ পতাকা উত্তোলনেৰে।

ইয়াৰ পিছত স্মৃতি তৰ্পণ অনুষ্ঠানত উপন্যাস সম্ৰাটগৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্জ্বলন কৰে হাউলী পৌৰসভাৰ প্ৰাক্তন সভাপতি পৰমানন্দ দাসে আৰু মুখ্য তৰ্পকৰূপে উপস্থিত থাকে হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মুনীন্দ্ৰ দাস। উপস্থিত থকা আনকেইগৰাকী তৰ্পক হ'ল বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি লাচিত কলিতা, সভাৰ কাৰ্যনিৰ্বাহক সদস্য গোবিন্দ তালুকদাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাস, হাউলী ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পবিত্ৰ সাহা আৰু বি. বি. কিষাণ কলেজৰ সহযোগী অধ্যাপক ড° দেৱান নজৰুল কাদিৰ।

পুৱা ১০-৩০ বজাত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে সভাৰ উপ-সভাপতি শ্ৰীমতী মৃণালিনী দেৱীয়ে। সভাত মুখ্য অতিথি আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সাত্যিচাৰ্য ড° পৰাগকুমাৰ ভট্টাচাৰ্য আৰু বিশিষ্ট সাহিত্যিক-সমালোচক ড° পৰমানন্দ মজুমদাৰ। বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত শ্ৰীমতী লখিমী দত্তই সভাত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা এই মুকলি সভাতি উল্লিখিত আটাইকেইগৰাকী ব্যক্তিয়ে মুকলি সভাত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু কৃতিত্ব সম্পৰ্কে চমু ভাষণ প্ৰদান কৰে।

মুকলি সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ চাৰিগৰাকী বিষয়ববীয়া হ'ল সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেবেন্দ্ৰনাথ বসুমতাৰী, পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা, ৰামধেনু উপ-সমিতিৰ আহ্বায়ক মানিক আহমেদ আৰু মুখপাত্ৰদ্বয় ড° সঞ্জীৱ কুমাৰ শৰ্মা আৰু অমৰেন্দ্ৰ বৰুৱা। মুকলি সভাৰ পিছত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ সভাপতি তথা অসমৰ প্ৰাক্তন সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কুমাৰ দীপক দাসে।

অনুষ্ঠানত গীত-মাত পৰিৱেশন কৰা অতিথি শিল্পীসকলৰ ভিতৰত ৰূপম ভূঞা, বিদ্যা সাগৰ, জীনা ৰাজকুমাৰী, ৰুবুল কলিতা, ক্ৰান্তিকা শাণ্ডিল্য, নিবেদিতা মেধিৰ নাম উল্লেখযোগ্য। সন্ধিয়া ০৫-৩০ বজাত মনোমতী উপন্যাসৰ ৰচনাস্থলীত আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্জ্বলন কৰে মনোমতী উপন্যাসৰ ৰচনাস্থলী স্মৃতিৰক্ষা সমিতিৰ সভাপতি ড° ভগীৰথ নাথে।

০-০-০-০